দৈনিক অসম, গুৱাহাটী, শনিবাৰ, ২৬ ফেব্ৰুৱাৰী, ২০২২

# আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন

নিজা বাতৰি দিওঁতা

**টংলা, ২৫ ফেব্ৰুৱাৰী ঃ** 'মাতৃভাষাক সকলোৱে শ্ৰদ্ধা আৰু সন্মান জনোৱা উচিত। একাংশ উগ্ৰ জাতীয়তাবাদৰ বাবে কেতিয়াবা কেতিয়াবা কাৰোবাৰ নিজ মুখৰ মাতৃভাষাক আঘাত কৰিবলৈ অপচেষ্টা কৰিবলৈ সদায় প্ৰচেষ্টা অব্যাহত ৰাখি আহিছে। মাতৃভাষা হ'ল য'ত আইৰ মুখৰ ভাষা জনম দিয়া আইৰ ভাষা।' এই মন্তব্য টংলা মহাবিদ্যালয় অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ঘটেশ্বৰ বৰুৱাৰ। ২১ ফেব্ৰুৱাৰীত শৈক্ষিক আৰু সাংস্কৃতিক নগৰ টংলাত উত্তৰ-পূব ভাৰত বাংলা সাহিত্য সভাৰ উদ্যোগত টংলা মডেল হাইস্কুল প্ৰাঙ্গনত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বৰুৱাই এই কথা উল্লেখ কৰে। বিশিষ্ট ব্যক্ত দ্বীপেন বোসৰ সভাপতিত্বত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসৰ দিনটোত মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে প্ৰাক্তন বিধায়ক শিলাদিত্য দেৱে। বিশিষ্ট সমাজকৰ্মী তথা জ্যেষ্ঠ অধিবক্তা মলয় লাহিৰীয়ে অংশ লৈ কয় যে মাতৃভাষা দিৱসটি কেৱলমাত্ৰ বাঙালীসকলৰ নহয়। এই মাতৃভাষা দিৱসটি সকলো শ্ৰেণীৰ জাতি-জনগোষ্ঠীয়ে পালন কৰিব পাৰে। বিশিষ্ট যুৱনেতা তথা বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ প্ৰাক্তন সভাপতি কমল চৌধুৰীয়ে মুকলি সভাত অংশগ্ৰহণ কৰি সকলো জাতি-জনগোষ্ঠী একলগ হৈ আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উদ্‌যাপন কৰিব পাৰিলেহে সাৰ্থক হ'ব বুলি কয়।



**ছিপাঝাৰৰ বাতৰি ঃ** ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ, লাইব্ৰেৰী বুক ক্লাব আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত ছিপাঝাৰ মহাবিদ্যালয় সভাগৃহত ২১ ফেব্ৰুৱাৰীত ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ৰাইজৰ উপস্থিতিত বৰ্ণাঢ্য দিনজোৰা কাৰ্যসূচীৰে 'আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস' উদ্‌যাপন কৰা হয়। ছিপাঝাৰ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মুকুল কুমাৰ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে মহাবিদ্যালয়ৰ পুথিভঁৰালী ড° নিৰ্মালী চক্ৰৱৰ্তীয়ে। সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শিল্পীসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি পৰিৱেশন কৰে। ছিপাঝাৰৰ বিশিষ্ট ওজাশিল্পী দ্ৰোণ ভূঞা আৰু জয়ন্ত নাথ দেৱে বন্তি প্ৰজ্বলন কৰে। উপাধ্যক্ষ ড° ৰাম চন্দ্ৰ ডেকাই মাতৃভাষা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি উদ্বোধনী ভাষণ প্ৰদান কৰে।

**পাটাছাৰকুছিৰ নিজা বাতৰি দিওঁতা ঃ** বজালী জিলাৰ উচ্চ শিক্ষাৰ অগ্ৰণী অনুষ্ঠান বাঘমাৰাৰ নৰ্থ কামৰূপ কলেজৰ অসমীয়া বিভাগৰ সাহিত্য চ'ৰাৰ উদ্যোগতো ২১ ফেব্ৰুৱাৰীত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উপলক্ষে এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত 'গোলকীকৰণৰ সময়ত মাতৃভাষাৰ গুৰুত্ব' শীৰ্ষক বিষয়ক মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে বৰনগৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° যাদবেন্দ্ৰ বৰাই।